আদান-প্ৰদান কৰাৰ আগতে বেংকৰ কৰ্মচাৰীৰ পৰিচয় পত্ৰ পৰীক্ষা কৰি লওক। সন্দেহজনক কিবা দেখিছে যদি পুলিছ নহ'লে বেংকৰ মেনেজাৰৰ কাষ চাপক।

আপুনি অনলাইনত কিবা সামগ্ৰী কিনিব খুজিছে আৰু আপুনি বিচৰা সামগ্ৰীখিনি অত্যন্ত কম মূল্যত আপুনি কেতিয়াও নাম নুশুনা ৱেবছাইট এটাত পাইছে। আপুনি আপোনাৰ একাউণ্টৰ সম্পূৰ্ণ তথ্য সেই ৱেবছাইটত দিছে; উদ্দেশ্য—সামগ্ৰীখিনি কম মূল্যত পাই অতি সোনকালে কিনাৰ। কিন্তু এয়া কি, আপুনি কিবা বুজি পোৱাৰ আগতে আপোনাৰ একাউণ্টৰ পৰা টকাবোৰ ক'ৰবালৈ গৈ আছে দেখোন। এনেধৰণৰ পৰিস্থিতিৰ পৰা বাচি থকাৰ একমাত্ৰ উপায় হ'ল—যিকোনো ৱেবছাইটৰ পৰা কোনো সামগ্ৰী কিনাৰ আগতে সেই ৱেবছাইটৰ নিৰ্ভৰযোগ্যতা সম্পৰ্কে ভালদৰে জানি লওক। সন্দেহযুক্ত কিবা দেখা যেন পালে কেতিয়াও কোনো অসুৰক্ষিত ৱেবছাইটত নিজৰ বেংক সম্বন্ধীয় কোনো তথ্য নিদিব।

আপোনাৰ বেংক একাউণ্টৰ সৈতে আপুনি ব্যৱহাৰ কৰি থকা ম'বাইল নম্বৰ সংযোগ কৰক আৰু এছ এম এছ এলাৰ্ট ব্যৱস্থা কাৰ্যক্ষম কৰি ৰাখক। তেতিয়া আপোনাৰ একাউণ্টৰ পৰা কোনো দুষ্কৃতিকাৰীয়ে টকা-পইচাৰ হেৰফেৰ কৰিলে আপোনালৈ বেংকৰ পৰা এছ এম এছ আহিব আৰু আপুনি ক্ষিপ্ৰতাৰে পদক্ষেপ ল'ব পাৰিব। যদি আপোনাৰ একাউণ্টত বা বেংকত এছ এম এছ এলাৰ্ট নাই তেন্তে মাজে মাজে আপোনাৰ বেংকৰ পাছবুকখন উন্নীত কৰি ৰাখক। আৰু কিবা বিসংগতি দেখিলে বেংক মেনেজাৰ বা স্থানীয় থানাৰ কাষ চাপক।

এ টি এমযোগে টকা উলিয়াবলৈ গ'লে সদায় অধিক সতৰ্কতা অৱলম্বন কৰিব। ভালদৰে এ টি এমখন পৰীক্ষা কৰক। সন্দেহজনক কিবা দেখিলে সেই এ টি এমৰ পৰা টকা নুলিয়াব। এ টি এমযোগে আপুনি টকা উলিয়াই থাকোঁতে কোনো লোকক সোমাবলৈ নিদিব। নিজৰ পিন নম্বৰ কেতিয়াও কাকো নিদিব। এ টি এমৰ লেনদেন প্ৰক্ৰিয়া সমাপ্ত নোহোৱালৈকে সেই স্থানৰ পৰা আঁতৰি নাযাব।

যদি আপুনি আপোনাৰ ম'বাইলত ইউ পি আই এপ ব্যৱহাৰ কৰে তেন্তে কেতিয়াও অসুৰক্ষিত আন কোনো এপ ম'বাইলত ইনষ্টল নকৰিব। তদুপৰি কোনো ধৰণৰ অসুৰক্ষিত লিংকত ক্লিক নকৰিব। ইউ পি আই সংযোগী ফোন নম্বৰ অনাহকত য'তে-ত'তে শ্বেয়াৰ নকৰিব।

আপুনি যদি অনলাইন বেংকিং ব্যৱহাৰ কৰে তেন্তে আপোনাৰ অনলাইন বেংকিঙৰ পাছৱৰ্ড মাজে মাজে সলনি কৰি থাকক। যিমান পাৰে কঠিন পাছৱৰ্ড ব্যৱহাৰ কৰক। নিজৰ নাম বা পত্নী, প্ৰেয়সী বা নিজৰ সন্তান আদিৰ নামৰ সৈতে সংলগ্ন পাছৱৰ্ড ব্যৱহাৰ কৰাৰ পৰা বিৰত থাকক। এনেবোৰ পাছৱৰ্ড সোনকালে হেক কৰাৰ সম্ভাৱনা থাকে।

ইমানখিনি সতৰ্কতা অৱলম্বন কৰাৰ পাছতো যদি আপুনি আপোনাৰ একাউণ্টত কেনেবাকৈ কিবা সন্দেহজনক লেনদেন দেখা পাইছে তেন্তে অতিশীঘ্ৰে বেংকত খবৰ দিয়ক যাতে আপোনাৰ একাউণ্ট সোনকালে সুৰক্ষিত কৰিব পৰা যায়।

এটা কথা মনত ৰাখিব—যদি আপুনি কোনো তৃতীয় পক্ষক কেতিয়াও আপোনাৰ একাউণ্টৰ তথ্য দিয়া নাই আৰু আপোনাৰ এ টি এম কাৰ্ড আপোনাৰ হাতত থাকোঁতে আন কোনোৱে যদি আপোনাৰ এ টি এমৰ পৰা টকা উলিয়াইছে তেন্তে আপুনি বিশেষ চিন্তা নকৰিব। বেংকে এনেকুৱা পৰিস্থিতিত গ্ৰাহকৰ ধন সুৰক্ষিত কৰিবলৈ এটা ইঞ্চিঅ'ৰেঞ্চ কৰি ৰাখে। আপুনি কেৱল যিমান পাৰে সোনকালে বেংকৰ কাষ চাপি আপোনাৰ একাউণ্টত সংঘটিত হোৱা জালিয়াতিৰ বিষয়ে জনাওক। যদি আপোনাৰ কোনো দোষ নথকাকৈ আপোনাৰ একাউণ্টৰ পৰা টকাৰ হৰলুকি হৈছে, তেন্তে এশ শতাংশ সম্ভাৱনা আছে যে টকাখিনি আপুনি ঘূৰাই পাব। কিন্তু যদি আপুনি ওপৰত উল্লেখ কৰা ভুলবোৰ নিজে কৰিছে বা মই লেখাৰ আৰম্ভণিতে দিয়া উদাহৰণটোৰ দৰে ছটা সংখ্যাৰ নম্বৰ কাৰোবাক শ্বেয়াৰ কৰিছে, তেন্তে আপোনাৰ একাউণ্টৰ পৰা হৰলুকি হোৱা টকা ঘূৰাই পোৱাৰ সম্ভাৱনা যথেষ্ট ক্ষীণ। সেয়ে সময় থাকোঁতেই সজাগ আৰু সচেতন হৈ নিজৰ বেংক একাউণ্ট সুৰক্ষিত কৰি ৰাখক। মনত ৰাখিব যে ওপৰত উল্লেখ কৰাৰ দৰে ল'বলগীয়া সতৰ্কতাই আপোনাৰ একাউণ্ট সদায় সুৰক্ষিত কৰি ৰাখিব।

ঠিকনা ঃ ১(ক) উপপথ (পেঞ্চনাৰ ভৱনৰ সমীপত), কুশল নগৰ, জেইল ৰ'ড, যোৰহাট-৭৮৫০০১, ফোন ঃ ৯৭০৬০৭২৫৫৭

## ছুড'কু

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| ৪ | ১ | ৭ | ২ | ৬ | ৯ | ৮ | ৩ | ৫ |
| ৬ | ৫ | ২ | ৮ | ৭ | ৩ | ১ | ৯ | ৪ |
| ৩ | ৯ | ৮ | ৫ | ১ | ৪ | ২ | ৭ | ৬ |
| ৫ | ৭ | ৪ | ৯ | ৮ | ১ | ৩ | ৬ | ২ |
| ২ | ৮ | ৩ | ৪ | ৫ | ৬ | ৯ | ১ | ৭ |
| ১ | ৬ | ৯ | ৩ | ২ | ৭ | ৪ | ৫ | ৮ |
| ৯ | ৩ | ৫ | ৭ | ৪ | ৮ | ৬ | ২ | ১ |
| ৭ | ৪ | ৬ | ১ | ৯ | ২ | ৫ | ৮ | ৩ |
| ৮ | ২ | ১ | ৬ | ৩ | ৫ | ৭ | ৪ | ৯ |

(১।৮।২০২১ সংখ্যাৰ 'ছুড'কু'ৰ উত্তৰ)

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| | ৪ | ৮ | | ৩ | | | | ৭ |
| ২ | ৩ | ৭ | ১ | | | | | |
| ১ | | | | | ৮ | ৩ | | |
| | | | ৪ | | | ৯ | | |
| | ৬ | | | | | | ৮ | |
| | | ৫ | | | ১ | | | |
| | | ৯ | ৩ | | | | | ৫ |
| | | | | | ৪ | ৭ | ৩ | ২ |
| ৪ | | | | ২ | | ৬ | ৯ | |

* উত্তৰ অহা সংখ্যাত প্ৰকাশ পাব